এবছার্ড্‌বাদ

সু-প্রসিদ্ধ নাট্যকাৰ ছেমুৱেল বেকেটক এবাৰ কেইজনমান সাংবাদিকে সোধা প্রশ্নৰ উত্তৰত তেওঁ নিলিপ্তভাৱে কৈছিল যে প্রতিটো উচ্চাৰিত শব্দই জীৱনৰ নৈশব্দ্য আৰু শূন্যতাত একোটা কলংক স্বৰূপ। ইয়াৰ মাজত জীৱন-সম্পর্কে তেওঁৰ এক নেতিবাচক উপলব্ধিয়েই প্রকাশিত হৈছে। আকৌ, তেওঁৰ 'ৱেটিং ফ'ৰ গডো'ৰ মাজত এহাতে মানুহৰ অক্ষমতা আৰু জীৱনৰ একে সুৰীয়া আমনিদায়ক প্রৱাহৰ মাজত কালাতিপাত— এই কাৰুণ্য প্রকাশিত হৈছে। মানুহৰ তাৰ নিজৰ জন্মৰ ওপৰত আৰু মৃত্যুৰ ওপৰত অধিকাৰ নাই। সি নিজৰ ইচ্ছাত জন্ম লাভ কৰা নাই আৰু নিজৰ ইচ্ছাত সি সাধাৰণতে মৰিবও নোখোজে। মৃত্যু তাৰ বাবে বাঞ্ছনীয় নহয়। কিন্তু জীবনানন্দ দাশৰ কবিতাই সোঁৱৰাই দিয়াৰ দৰে— 'সাহস সংকল্প প্রেম কোনোদিন মৃত্যুৰ ফালে যাব নুখুজিলেও ভৰিৰ খোজ গভীৰ স্বাভাৱিকতাৰে সেইফাললৈকে গৈ থাকে।' নিজৰ জীৱনৰ ওপৰত অধিকাৰ নথকা এই কাৰুণ্যৰ মাজত মানুহৰ ব্যতিব্যস্ততা অর্থহীন। মানুহ তাৰ চাৰিওকাষৰ জীৱনৰ মাজত থাকিও অকলশৰীয়া, বিচ্ছিন্ন আৰু অসহায়। জীৱনৰ এই ৰূপটোৰ মাজতে নিহিত হৈ আছে এবছার্ডিটি। মানুহৰ এই বিচ্ছিন্ন আৰু অসহায়তাৰ ঘাই কাৰণ হ'ল— জীৱন আৰু জগত-সম্পর্কে যিবোৰ বিশ্বাস আৰু মূল্যবোধ গঢ় লৈ আহিছিল সিবিলাকত আশ্রয় কৰি সি জীৱনৰ অর্থ বিচাৰি পাইছিল; ঊনবিংশ শতিকাৰ শেহৰ ফালৰ পৰা বাঢ়ি অহা যুক্তিবাদ আৰু সংশয়বাদে তেনে বিশ্বাস-সম্পর্কে প্রশ্ন কৰিবলৈ আৰম্ভ কৰিলে। নীৎসেই ঈশ্বৰৰ মৃত্যু হ'ল বুলি ঘোষণা কৰিলে। বিংশ শতিকাৰ প্রাৰম্ভতে হোৱা প্রথম মহাযুদ্ধই অৱশিষ্ট মানৱীয় মূল্যবোধকণো নষ্ট কৰিলে। বিশ্বাসৰ আশ্রয় হেৰুওৱা মানুহ হৈ পৰিল নিসংগ, বিচ্ছিন্ন আৰু অসহায়। জীৱনৰ দুয়োফালে দেখা পালে অন্ধকাৰ আৰু জীয়াই থকা সময়ছোৱাত নিজকে দেখা পালে অকলশৰীয়া আৰু অসহায় অৱস্থাত। মানুহৰ এই অস্তিত্ববোধৰ লগত এবছার্ডিটিৰ ধাৰণা জড়িত। আয়নেস্ক'ই কাফ্‌কা-সম্পর্কে এখন ৰচনাত মন্তব্য কৰোঁতে কৈছিল যে "যি উদ্দেশ্যহীন সিয়েই এবছার্ড্‌"। ধর্ম, আধ্যাত্মিকতা আৰু ইন্দ্রিয়াতীত চেতনাই দান কৰা আশ্রয় হেৰুৱাই

পেলোৱাত আধুনিক মানুহৰ সকলো যত্ন আৰু কাম অর্থহীন, প্রয়োজনহীন আৰু এবছার্ড্ হৈ পৰিছে। মানুহৰ জীৱনৰ বিচ্ছিন্নতাৰ বেদনাৰ পৰা জন্ম লাভ কৰা চেতনাক বুজাবলৈ আলবেয়াৰ কেমুৱে এবছার্ড্ শব্দটো প্রথম ব্যৱহাৰ কৰে। কেমুৱে এই শব্দটো ব্যৱহাৰ কৰোঁতে তাৰ পিছফালে থকা মানুহৰ বিচ্ছিন্ন অস্তিত্বক ধৰি ৰাখিছে। এতেকে এবছার্ড্‌বাদ বুলিলে কেৱল এবছার্ড্ শব্দটোৰ আভিধানিক অর্থ গ্রহণ কৰিলে প্রকৃত অর্থ বুজা নাযাব। অসমীয়া ভাষাত অনেকে ব্যৱহাৰ কৰা 'উদ্ভটত্ববাদ' শব্দটো আভিধানিক অর্থ বাহকহে; ই যথার্থতে এবছার্ড্‌বাদক বুজাবযে নোৱাৰেই, বৰং ভুল ধাৰণাহে দিব পাৰে। কাৰণ, উদ্ভট শব্দটোৱে কার্য-কাৰণৰ উদ্ভটত্বৰ ইংগিত দিলেও তাৰ পিছফালে থকা বিশিষ্ট জীৱন-দৃষ্টিৰ পৰা উদ্ভূত মত-বিশেষ বুজাব নোৱাৰে।

এবছার্ড্‌বাদৰ লগত কাৰুণ্য আৰু ব্যংগ দুয়োটা অংগাগীভাৱে জড়িত বুলি কোৱা হয়। কাৰণ নিজৰ জন্ম, মৃত্যু আৰু জীৱনৰ ওপৰত অধিকাৰ নথকাৰ কাৰুণ্যই মানুহক আৱৰি থাকিলেও সি অর্থহীন ব্যস্ততাত কালাতিপাত কৰে। বেকেটৰ 'ৱেটিং ফ'ৰ গডো'ৰ মাজত এই কাৰুণ্য আৰু ব্যংগ অনুভূত হয়। এষ্ট্রাগন আৰু ভ্লাদিমিৰে একে ধৰণৰ কাম কৰি পুৱাৰে পৰা সন্ধ্যালৈকে দৈনিক অতিবাহিত কৰিছে 'গডো'ৰ অপেক্ষাত। কিন্তু 'গডো' নাহে। কোন এই গডো? বেকেটক জনৈক সমালোচকে প্রশ্ন কৰোঁতে তেওঁ উত্তৰ দিছিল যে তেওঁ নাজানে; জনা হ'লে নাটকখনতে প্রকাশ কৰিলেহেঁতেন। গডো মানুহৰ অনিশ্চিত ভৱিষ্যৎ। আমি নিজকো প্রশ্ন কৰিব পাৰোঁ— আমি দিনৰ পিছত দিন কাৰ কাৰণে কটাইছোঁ? মৃত্যুৰ কাৰণে? নহয়। তেনেহ'লে কাৰ বাবে পুৱাৰ পৰা গধূলিলৈকে ব্যস্ত হৈ থাকি ৰাতি শুই আছোঁ, আৰু পুৱা উঠি আকৌ আৰম্ভ কৰিছোঁ? আমি নাজানো; কিন্তু তেনেকৈয়ে কালাতিপাত কৰিছোঁ আৰু জীৱনৰ শূন্যতা আৰু অর্থহীনতাক মিছা ব্যস্ততাৰে ভৰাই তুলিবৰ যত্ন কৰিছোঁ। প্রশ্নশূন্যতা আৰু অর্থহীনতা, আৰু আমাৰ অক্ষমতা আমাৰ বাবে ডাঙৰ ট্রেজেডি; আৰু তাৰ মাজত আমাৰ দৈনিক ব্যস্ততা হাস্যকৰ। কিন্তু আলবেয়াৰ কেমু, যি প্রথম এই এবছার্ড্ শব্দটো বিচ্ছিন্নতাৰ বেদনাৰ পৰা জন্ম লাভ কৰা চেতনাক বুজাবলৈ ব্যৱহাৰ কৰিছিল, তেওঁ হাস্যকৰ দিশটোৰ কথা ক'তো কোৱা নাই। তেওঁৰ মতে জগতৰ সামগ্রিক পটভূমিত প্রত্যেক ব্যক্তিৰ স্থিতিয়েই স্বয়ং এবছার্ড্। দেখা যায় এবছার্ড্‌বাদৰ লগত অস্তিত্ববাদৰ মৌলিক যোগসূত্র আছে। জাঁ পল ছার্ত্রেই স্বয়ং কেমুৰ দর্শনক Philosophy of the Absurd বুলি অভিহিত কৰোঁতে নিসংগ মানুহৰ অৱস্থিতি-সম্পর্কে কেমুৰ দৃষ্টিভংগীৰ বিশিষ্টতাৰ প্রতিয়েই ইংগিত কৰি গৈছে। কিন্তু অস্তিত্ববাদ আৰু এবছার্ড্‌বাদ একেটা বস্তু নহয়। অস্তিত্ববাদত জীৱনৰ স্থিতিৰ বিচাৰ আৰু প্রয়োগ-পন্থাৰ কথা আছে আৰু এবছার্ড্‌বাদত জীৱনৰ কাম-কাজৰ বিচাৰ আছে। ক'ব পাৰি, এটা যদি জীৱনৰ অস্তিত্ব-

REDMI NOTE 5 PRO

সম্পর্কে বিশিষ্ট চেতনাৰ প্রয়োগৰ দর্শন আনটো জীৱনৰ অস্তিত্বক বিশিষ্ট দৃষ্টিৰে চোৱাৰ আৰু অনুভৱ কৰাৰ দর্শন।

কেমুৱে জীৱনৰ অস্তিত্বৰ এই এব্‌ছার্ডিটিৰ বিষয়ে myth of sisyphus ত কৰা আলোচনাৰ উপৰিও তেওঁৰ উপন্যাস আৰু নাটকতো দাঙি ধৰিছে। কিন্তু তাকে কৰোঁতে তেওঁ শিল্পৰ বিষয় আৰু ৰূপৰ সম্পর্ক তেওঁৰ ৰচনাত ভঙা নাই। আনহাতে আয়নেস্কো, জাঁ-জেনে, আদামভ, হেৰল্ড পিণ্টাৰ, এল্‌বি, এৰেবল, বেকেট— এই নাট্যকাৰসকলে বিষয়ৰ লগত সম্পর্ক ৰক্ষা কৰি নাটকৰ পৰম্পৰাগত ৰূপো ভাঙি পেলায় আৰু এক ৰীতিহীন ৰীতিৰ প্রৱর্তন কৰে। আনহাতে ইয়াৰ লগত ছ্যুৰিয়েলিজ্‌ম্‌ বা অধিবাস্তৱবাদী ধাৰাৰ প্রভাৱো আহি সোমায়হি। ফলত সাহিত্যত এবছার্ড্‌বাদে নতুন আয়তন লাভ কৰিলে। বিশেষকৈ নাটকত ব্যক্তিৰ উপলব্ধিগত সত্য, যি বিমূর্ত কাব্য সত্যৰূপে গৃহীত হ'বৰ যোগ্য সেই সত্যই প্রধান উপজীব্য হৈ পৰিল। এনে সত্যই অৱচেতনৰ সীমাহীন কল্পনাৰ ৰূপৰ প্রকাশ বিচাৰিব পাৰে; স্বপ্নৰ দৃশ্যৰ দৰে সামঞ্জস্যহীন দৃশ্যৰ মাজত, সংলগ্নহীন সংলাপৰ মাজত আৰু তাৰবাবে উপযোগী চৰিত্রৰ কামৰ মাজত প্রকাশৰ পথ বিচাৰিব পাৰে। এনে সত্যই এক পৰিকল্পিত, সু-সংগ্রথিত কাহিনীৰ পৰিৱর্তে সামঞ্জস্যহীন ঘটনাক ভিত্তি কৰি আত্মপ্রকাশ কৰে। অনেকে এই সামঞ্জস্যহীনতা আৰু অসংলগ্নতাক কেৱল জীৱনৰ অর্থহীনতা বুজাবলৈ ব্যৱহাৰ কৰা বুলি ক'লেও দৰাচলতে ই তাতোকৈও গভীৰ তাৎপর্য বহন কৰে। প্রথমতঃ, অৱচেতনৰ অনুভৱ বস্তুতঃ বাস্তৱ জীৱনৰ সামঞ্জস্যতা আৰু সংলগ্নতাৰ লগত যুক্ত নহয়। দ্বিতীয়তঃ, মুখ্যতঃ যিহেতু মানুহ আছে; সি হ'ল চৰিত্রৰ নিসংগ অস্তিত্বৰ যোগসূত্র। এই নিসংগ তাৰ বাবে তাৰ ভাষাও কেৱল নিজৰ মনলৈ কোনো শৃংখলা বা পৰিকল্পনা নোহোৱাকৈ অহা ভাব-চিন্তাৰ প্রকাশ মাত্র। এতেকে এই ভাষা একান্তভাৱে চৰিত্রৰ অৱচেতনাৰ লগত জড়িত ভাষা। আপাত দৃষ্টিত অসামঞ্জস্যপূর্ণ, অসংলগ্ন হ'লেও আৰু যুক্তিহীন হ'লেও তাৰ মাজতো দেখা যায় এডাল অদৃশ্য যোগসূত্র আছে; সি হ'ল চৰিত্রৰ নিসংগ অস্তিত্বৰ যোগসূত্র। এই নিঃসগ অস্তিত্ব জীৱনৰ অন্তর্নিহিত বিভিন্ন ভাব-অনুভৱৰ এক বিচিত্র সমাহাৰ। সিহঁত সমাজ-জীৱনৰ নীতি-নিয়মৰ দ্বাৰা পৰিচালিত নহয়। উইলছন নাইটে সংলাপৰ সংলগ্নহীনতাৰ যৌক্তিকতা এনে বিচাৰৰ ভিত্তিতে কৰিছে। কিন্তু প্রত্যেক গৰাকী এবছার্ড্‌ নাট্যকাৰেই একে পদ্ধতি অৱলম্বন কৰা নাই। হেৰল্ড পিণ্টাৰৰ ৰচনাত অর্থহীন সংলাপৰ সুদক্ষ প্রয়োগ যিদৰে চকুত পৰে, তেনেকৈ আয়নেস্কোৰ ৰচনাত ঘটনাৰ এক প্রকাৰ যেন যান্ত্রিকতা (The chairss হওক বা The Rhinoceros য়েই হওক) অনুভূত হয়। আনহাতে বেকেটৰ ৰচনাত চৰিত্রৰ কামৰ অর্থহীনতাই দৃষ্টি আকর্ষণ কৰে। মার্টিন এছ্‌লিনে তেওঁৰ The Theatre of Absurdৰ আলোচনাই

Absurdist -সকলৰ বিষয়তকৈ বিষয়ীৰ প্ৰতি আগ্ৰহৰ ইংগিত কৰে। আৰ্টডে (Artaud) এবছার্ড্ নাটকক Theatre of Cruelty বুলি কৰা মন্তব্যও প্ৰণিধানযোগ্য। তেওঁৰ মতে, এই নাট্যকাৰসকলে উদ্দেশ্য সচেতনভাৱে মানুহৰ মনত আঘাত কৰি তেওঁবিলাকক জীৱনৰ সাৰশূন্যতা আৰু নিঃসংগতা-সম্পৰ্কে সচেতন কৰি দিবলৈ যত্ন কৰে। নাট্যকাৰ এল্‌বিৰ ৰচনাই আৰ্টডৰ এই মন্তব্যৰ সত্যতা প্ৰমাণ কৰে। এবছার্ডিষ্ট্‌সকল, নাটকৰ যোগেদি কোনো আদৰ্শ প্ৰচাৰ কৰাৰ বিৰোধী। আয়েনেস্ক'ৰ মতে নাটকত নাট্যকাৰে নিজৰ জীৱন-অভিজ্ঞতাৰ কথা কেৱল দাঙি ধৰে। এই অভিজ্ঞতা নাট্যকাৰৰ একান্তভাৱে নিজৰ। ইয়াৰে তেওঁ জীৱনৰ স্বৰূপ উপলব্ধি কৰে। এই উপলব্ধি বহু সময়ত যুক্তিহীন, ব্যাখ্যাহীন আৰু শৃংখলাহীন।

এবছার্ড্ শব্দটো শুনিলেই এক বিশেষ শ্ৰেণীৰ নাটকলৈ মনত পৰে যদিও, দৰাচলতে ই কেৱল নাটকৰ শ্ৰেণী বিভাগ নহয়। সেইবাবে এবছার্ড্ নাটকৰ লক্ষণসমূহো এবছার্ড্‌বাদৰ পৰিচয় নহয়। বৰং ক'ব পাৰি এই লক্ষণসমূহ এক প্ৰকাৰ ৰূপগত অভিব্যক্তি মাত্ৰ। আনহাতে এনে অভিব্যক্তি নোহোৱাকৈয়ো এবছার্ড্‌বাদৰ প্ৰৱৰ্তক কেমুৰ ৰচনাৰ ভিত্তিতে ই ক্ৰিয়াশীল। এবছার্ড্‌বাদে উপন্যাস আৰু চুটিগল্পলৈও সম্প্ৰসাৰণ লাভ কৰি গৈছে। অৱশ্যে নাটকৰ মাজেদিয়েই ই পৰিচিত হৈ পৰিল অধিক পৰিমাণে।

যদিও ছাৰ্ত্ৰেই ইয়াক Philosophy of Absurdity বুলি উল্লেখ কৰি গৈছে, এবছার্ড্‌বাদ এটা পদ্ধতিগতভাৱে প্ৰতিষ্ঠিত দৰ্শন নহয়; বৰং ই এক প্ৰকাৰ দাৰ্শনিক দৃষ্টিভংগীসম্ভূত মতবাদ। এই মতবাদৰ সমৰ্থকসকল জীৱনৰ বিষয়গত বা সামাজিক বাস্তৱতাৰ পৰিৱৰ্তে বিষয়ীগত বাস্তৱতাত বিশ্বাসী। ব্যক্তিগত জীৱনৰ উপলব্ধিৰ মাজেৰে তেওঁবিলাকে প্ৰত্যক্ষ কৰে জীৱনৰ অসহায় স্বৰূপ আৰু সংকট। ❑

খোৱতে ঃ

১. মানুহৰ জীৱনৰ আঁতি-গুৰি উলিয়াব নোৱৰা মানুহৰ মনৰ বিমূঢ় অৱস্থাই জীৱনটো এটা এবছার্ড্ অৰ্থাৎ জ্ঞান আৰু যুক্তিৰে বুজিব নোৱৰা এটা বিষয় বুলি ভাবে।
২. মানুহে যিদৰে কিয় জন্ম লাভ কৰিলে ক'ব নোৱাৰে ঠিক তেনেকৈ কিয় জীয়াই থাকে সেইটোও ক'ব নোৱাৰে। মানুহ মৰিবও নোখোজে অথচ তাৰ মৃত্যু অৱশ্যম্ভাৱী।
৩. জীয়াই থকা সময়ছোৱাত মানুহৰ আকাংক্ষাৰ শেষ নাই, অথচ এনে আকাংক্ষা পূৰণেও মানুহক শেষ পৰ্যন্ত একো দিব নোৱাৰে।
৪. মানুহৰ নিজৰ জন্মতো অধিকাৰ নাই আৰু মৃত্যুতো অধিকাৰ নাই। জন্মৰ আগৰ

আৰু মৃত্যুৰ পিছৰ অৱস্থা মানুহৰ বুদ্ধি, জ্ঞান, কল্পনা, অনুভৱ একোৱে ধৰিব নোৱাৰে।

৫. মানুহ একান্তভাৱেই নিঃসংগ, অসহায়, অজ্ঞ আৰু ভৱিষ্যৎহীন।

৬. জীৱনৰ এই এবছার্ডিটিয়ে মানুহৰ অন্তৰত সৃষ্টি কৰা কাৰুণ্য এবছার্ড্‌বাদৰ অন্যতম আধাৰ। তদুপৰি নিজৰ জীৱনক মহা-মূল্যৱান বুলি ভবা মানুহৰ যে নিজৰ জীৱনৰ ওপৰত কোনো অধিকাৰ নাই এই ভাবনাই সৃষ্টি কৰা এটা ব্যংগৰ ভাৱো ইয়াৰ মাজত লুকাই আছে।

৭. আলবেয়াৰ কেমুৱে এবছার্ড্‌ শব্দটো জীৱনৰ সম্পর্কত প্ৰথম ব্যৱহাৰ কৰিছিল। জাঁ পল ছাৰ্ত্রেই কেমুৰ দর্শনক Philosophy of the Absurd বুলি অভিহিত কৰিছে।

৮. সাহিত্যত, বিশেষকৈ নাটকত এই এবছার্ড্‌বাদৰ অভিব্যক্তি ঘটিল আয়'নেস্ক', জাঁ জেনে, আদামভ, হেৰল্ড পিণ্টাৰ, এল্‌বি, ছেমুৱেল বেকেট আদি নাট্যকাৰৰ ৰচনাত।

৯. জীৱনৰ যুক্তিহীনতা আৰু সংলগ্নতাহীনতা এবছার্ড্‌ নাটকৰ কাহিনী, ঘটনা, চৰিত্ৰ আৰু সংলাপ এই সকলোৰে মাজেদি ফুটি উঠে।

১০. এবছার্ড্‌ নাট্যকাৰসকলে নাটকৰ যোগেদি কোনো আদর্শ প্ৰচাৰ নকৰে। বৰং ব্যক্তিগত জীৱনৰ উপলব্ধিৰ মাজেৰে তেওঁবিলাকে জীৱনৰ অসহায় স্বৰূপ আৰু সংকট দাঙি ধৰিব খোজে।